**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত আয় নিৰ্বিশেষে ৭০ বছৰ আৰু তাৰ উৰ্দ্ধৰ বয়সৰ সকলো জ্যেষ্ঠ নাগৰিকক সামৰি লোৱা হ'ব। ইয়াৰ জৰিয়তে ৪ কোটি ৫০ লাখ পৰিয়াল উপকৃত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে কালি এই ক্ষেত্ৰত যাৱতীয় অনুমোদন জনায়। কেবিনেটৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰি কালি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই আঁচনি ৰূপায়ণৰ বাবে প্ৰাৰম্ভিকভাৱে ৩ হাজাৰ ৪৩৭ কোটি টকা মঞ্জুৰ কৰা হৈছে আৰু পৰ্যায় ক্ৰমে এই ধনৰ আৱণ্টন বৃদ্ধি কৰা হ'ব। কেবিনেটৰ এই সিদ্ধান্তৰ ফলত দেশৰ ৬ কোটি লোক উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন অনুসৰি আৰ্থিক অৱস্থা যেনেকুৱাই নহওক লাগে, দেশৰ ৭০ বছৰ আৰু তাৰ উৰ্দ্ধৰ বয়সৰ সকলো নাগৰিকে আয়ুষ্মান ভাৰতৰ সুবিধা লাভ কৰিব। কেবিনেট সিদ্ধান্ত অনুসৰি এইসকল লোকক সুকীয়াকৈ কাৰ্ড প্ৰদান কৰা হ'ব আৰু তেওঁলোকে বছৰি অতিৰিক্তভাৱে ৫ লাখ টকা পৰ্যন্ত চিকিৎসা ব্যয় লাভ কৰিব। আনহাতে, কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনি অথবা ব্যক্তিগত স্বাস্থ্য বীমা আঁচনিৰ অধীনত থকা নাগৰিকসকলেও আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সুবিধা লাভ কৰিব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কেবিনেটৰ এই সিদ্ধান্তক ঐতিহাসিক আখ্যা দি আদৰণি জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এখন কল্যাণকামী ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত আয়ুষ্মান ভাৰতৰ সাৰ্বজনীনকৰণে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যত ১৫ ছেপ্তেম্বৰত হ'বলগীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষাত ৩ হাজাৰৰো অধিক পদৰ বাবে ১১ লাখৰো অধিক প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যিক নিযুক্তি আয়োগৰ অধ্যক্ষ অজয় তিৱাৰীয়ে কালি গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত এখন সংবাদ মেলত এই তথ্য প্ৰকাশ কৰে। পৰীক্ষাৰ সবিশেষ তথ্য দি অধ্যক্ষগৰাকীয়ে কয় যে নিযুক্তি পৰীক্ষাত নকল কৰা প্ৰশ্নকাকত আগতীয়াকৈ ৰাজহুৱা কৰাকে ধৰি অন্যান্য অসৎ কাৰ্য প্ৰতিৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে অসম লোক পৰীক্ষা, নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা আইন, ২০২৪ ৰূপায়ণ কৰিছে। সেই অনুসৰি নিযুক্তি পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰা লোকক তিনি বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড বিহা হ'ব। তদুপৰি সংশ্লিষ্ট লোকজনক ১ লাখৰ পৰা ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। অধ্যক্ষ তিৱাৰীয়ে কয় যে আয়োগে সামাজিক মাধ্যমতো তীক্ষ্ণ দৃষ্টি ৰাখিছে। শ্ৰীতিৱাৰীয়ে ১৫ ছেপ্তেম্বৰত হ'বলগীয়া পৰীক্ষাটো অসমৰ ইতিহাসৰ সৰ্ববৃহৎ নিযুক্তি পৰীক্ষা বুলি উল্লেখ কৰে। তেওঁ কয় যে এই পৰীক্ষাত

২৮খন জিলাৰ দুহেজাৰ ৩০৫টা পৰীক্ষা কেন্দ্ৰত মুঠ ১১ লাখ ২৩ হাজাৰ ২০৪গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই পৰীক্ষা কেন্দ্ৰসমূহৰ ভিতৰত স্পৰ্শকাতৰ হিচাপে চিহ্নিত ৪২৯টা কেন্দ্ৰত অতিৰিক্ত আৰক্ষী আৰু গৃহৰক্ষী জোৱান নিয়োগ কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে কালি জিলাখনৰ বাবে বালি আৰু নদীগৰ্ভ খননৰ ক্ষেত্ৰত এখন অধিসূচনাযোগে খচৰা জিলা জৰীপ প্ৰতিবেদন প্ৰকাশ কৰিছে। বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া ডিব্ৰুগড়ৰ কাৰ্যালয় আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ ৱেবছাইটত এই খচৰা জিলা জৰীপ প্ৰতিবেদন উপলভ্য হ'ব। এই খচৰা সন্দৰ্ভত পৰামৰ্শ, মতামত অথবা ওজৰ-আপত্তি থাকিলে লিখিত আবেদন বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া ডিব্ৰুগড়ৰ ই-মেইল আইডিত দাখিল কৰিব লাগিব। আবেদন দাখিল কৰাৰ অন্তিম দিন ২ অক্টোবৰ ধাৰ্য কৰা হৈছে। ডিব্ৰুগড় জিলাৰ বাবে জিলা জৰীপ প্ৰতিবেদনৰ এই খচৰা অধিসূচনা জাৰি কৰা তাৰিখৰ পৰা ২১ দিনৰ বাবে ৰাজহুৱা সমীক্ষা আৰু মন্তব্যৰ বাবে উপলভ্য হ'ব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ১ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। জীপ ছাফাৰীৰে আৰম্ভ হ'বলগীয়া চলিত পৰ্যটন বৰ্ষত প্ৰথমবাৰৰ বাবে পৰ্যটকসকলে বুঢ়াপাহাৰ বনাঞ্চলখন উপভোগ কৰিবলৈ পূৰ্বতকৈ অধিক সময় লাভ কৰিব। পৰ্যটকসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, বুঢ়াপাহাৰ আৰু বাগৰি বনাঞ্চলৰ কিছু অংশ উপভোগ কৰিব পাৰিব বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। পৰ্যটন বৰ্ষটোত কঁহৰা বনাঞ্চলত মিহিমুখৰ পৰা ডাফলাং হৈ ভৈচামাৰীলৈ পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব। আনহাতে বাগৰি বনাঞ্চলত বিমলী তিনিআলিৰ পৰা ডোঙা হৈ জীপ ছাফাৰীৰ অনুমতি প্ৰদান কৰাৰ লগতে বুঢ়াপাহাৰ বনাঞ্চলত মুখ্য কাৰ্যালয়ৰ পৰা ডিফলু এপিচিলৈকে পৰ্যটকসকলে জীপ ছাফাৰী কৰিব পাৰিব।

০০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত কালি অসম ৰাজ্যিক ফুটবল দলে তেলেংগানা ৰাজ্যিক ফুটবল দলক ৪-০ গলত পৰাস্ত কৰে। ঘৰুৱা দলটোৱে ক্ৰমাগতভাৱে তিনিখন খেলত জয়ী হৈ ছেমি ফাইনেলত নিজৰ স্থান সজীৱ কৰি ৰাখিছে। যোৰহাট জিলা ক্ৰীড়া সন্থাই অসম দলৰ সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু পৰিচালকক আন্তৰিক অভিনন্দন জনাইছে।

০০০০০০

সমাপ্ত